**আৰু নবজাবি বাঁহী**

- ৰীতা বৰুৱা

তেজৰ যমুনাত ৰ'দৰ ঢৌ তুলি

আৰু নবজাবি বাঁহী

অ' কানাই

আৰু নবজাবি বাঁহী

সংসাৰ সমাজৰ মকৰাজাল ফালি

যাব যে নোৱাৰোঁ মই বৃন্দাবনত

তোৰে স'তে ৰাসক্ৰীড়া কৰিবলে'

মইযে ৰাধা আজিৰ

মইযে ৰাধা আজিৰ

তয়ো নহৱ কানাই কালিৰ ।

ই-মেইল আইডিঃ ritabarooah0@gmail.com

**মৃগয়া**

-তৃষ্ণা নেওগ বৰুৱা

ছাঁ হেৰুৱাই বাউল হোৱা দুপৰীয়া এটাক

নিচুকাই আছোঁ

মায়ামৃগ বিচৰা বিলাসী বিজ্ঞাপনৰ

হৰ্ডিঙ আঁতৰাই

দুহাতত গুজি দিছোঁ কপৌৰ কূজন

সুৰে মায়াজাল ৰচোঁতেও বেহেলাৰ তাঁৰ ছিগে
ধুমুহাৰ অন্তৰা এটাই থাওকতে সময়খিনি
নিজৰ কৰি ল’ব খোজে

কায়া-ছায়াৰ লুকাভাকু খেলত
আমিও হেৰাওঁ নিজেই নিজত

ছাঁ নিজানৰ কোলাহল
ছাঁ পোহৰৰ পৰ্যটক

ভ্ৰান্তিৰ পিয়লা উদি কৰি
জ্বলন্ত দুপৰৰ সকলো ক্লান্তি সামৰি
এখন্তেক অন্তৰ্ধান হয় ছাঁ

শৰীৰী বা অশৰীৰী
অন্তৰ্হিত ছাঁ বিচাৰি
আমিও বিতত হওঁ
দিনে-ৰাতি।

ই-মেইল আইডিঃ trishnanbaruah.1974@gmail.com

**অপ্ৰাপ্তিৰ আনন্দ**

-ভাস্বতী বৰা (বৰুৱা)

অপ্ৰাপ্তিৰ অন্তৰালতো
থাকিব পাৰে অনাবিল আনন্দ,

প্ৰাপ্তিৰ প্ৰাচুৰ্য্যৰ আতিশায্যতো

হ'ব পাৰে হিয়া আহত !

অধীৰ অপেক্ষাতো

থাকে আশাৰ জোনাকী মায়া ,

পোৱা নোপোৱাৰ

অপূৰ্ব মাদকতা।।

ভাল লাগে

আপোনাৰ কথা ,

ফৰিং ফুটা জোনাকৰ

মাজেৰে বৈ অহা

উশাহেদি

বুকু ভৰি ভালপোৱাৰ

অম্লান অম্লজান ।।

এনেকৈয়ে শিৰাই শিৰাই

বৈ থাকক দিয়ক

নোপোৱাৰ এক মাদকতাৰে

জীয়াই থকাৰ ৰঙা ৰঙ ,

আৰু থাকক হেপাঁহৰ অযুত সপোন

বাস্তৱ অবাস্তৱৰ দোমোজাত ।।

ই মেইল : bhaswatipahi@gmail.com

**কথোপকথন**

- নূপুৰ হাজৰিকা

শিলৰ গাত গা লগাই বহি আছিলোঁ ।

শিলে এঙামুৰি দি ক'লে ,

কথা এটা কওঁ ,

মই ক'লো , 'ক ' ।

আকৌ সুধিলে ,

মালিতা এটা গাওঁ,

মই ক'লো, 'গা ' ।

শিলে ক'লে,

একেবাৰে শেষত এটা সাধু ক'ম ।

মই ক'লো ,

নাঃ ,নুশুনো ।

কিয় শুনিম সাধু ,

সাধু শুনি শুনি শুবলৈ ভাল মাত্ৰ।

অবান্তৰ -অলৌকিক - মন ভুলোৱা সাধু শুনি

ইমান শুলোঁ!

অথচ সাধু শুনিলে টোপনি নাহে ৰজাৰ

কিয় নাহে ৰাণীৰ টোপনি ?

ৰজা-ৰাণীৰ দুখত টোপনি হৰে প্ৰজাৰ ,

উজাগৰ ৰাতি লগুৱা-লিকচৌৰ !

ৰামৰাজ্যত সীতাৰ সুখনীদ্ৰা নাই

কি বিসংগতি !!

আমাৰ পৃথিৱীৰ ৰজা তেওঁ

এতিয়া আকাশ কিনাৰ হাবিয়াস ;

পাৰিব পাৰিব

একেজাপে থপিয়াই আনিব আকাশ !

'জোনবাই এ বেজী এটা দিয়া ।

বেজীনো কেলৈ ?

মোনা সীবলৈ ।

মোনানো কেলৈ ---'

শিলে- ময়ে চিঞৰি চিঞৰি গালোঁ

হেৰাই যোৱা পদ্যবোৰ ।

ই-মেইল:nupurhazarika29@gmail.com